# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 22-08-2026
**Time :** 7:10 PM

ASSAMESE EVENING NSD BULLETIN

## HEADLINES

**::::::::::::::::::**

১। চৰকাৰে লাইচেন্স ৰাজৰ সময়ছোৱাৰ উৎপাদনৰ বাবে দণ্ড বিহাৰ পৰিৱৰ্তে উৎপাদন আধাৰিত উদগণিলৈ দৃষ্টিভংগী সলনি কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে শিলিগুড়ি কৰিডৰৰ সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰাত গুৰুত্ব আৰোপ কৰি দেশৰ পূৰ্বাঞ্চলৰ সীমান্তৰ নিৰাপত্তা ব্যৱস্থাৰ পৰ্যালোচনা কৰে।

৩। উচ্চতম ন্যায়ালয়ে সমাধান সমাৰোহ পদক্ষেপৰ অংশৰূপে আয়োজন কৰা তিনিদিনীয়া বিশেষ লোক আদালতৰ প্ৰথম দিনটোত ৪০০ৰো অধিক গোচৰ নিষ্পত্তি কৰিছে।

৪। বিজেপিয়ে বন্দে মাতৰমৰ প্ৰসাৰৰ উদ্দেশ্যে ৰাষ্ট্ৰজুৰি প্ৰচাৰ চলাব। ***আৰু***

৫। ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত কাইলৈ মোহন বাগান ছুপাৰ জায়েণ্ট, ইষ্ট বেংগল এফ চিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

চৰকাৰে লাইচেন্স ৰাজৰ সময়ছোৱাৰ উৎপাদনৰ বাবে দণ্ড বিহাৰ পৰিৱৰ্তে উৎপাদন আধাৰিত উদগণি আঁচনি– পি এল আইলৈ দৃষ্টিভংগী সলনি কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে। নতুন দিল্লীত অনুষ্ঠিত ইক'নমিক টাইমছ বিশ্ব নেতাসকলৰ মঞ্চ ২০২৬ত অংশগ্ৰহণ কৰি শ্ৰীমোদীয়ে কয়, যে আগৰ চৰকাৰে ইচ্ছাকৃতভাৱে নাটনি বৰ্তাই ৰখাৰ চিন্তাৰ প্ৰসাৰ ঘটাইছিল যাতে জনসাধাৰণ চৰকাৰৰ ওপৰত নিৰ্ভৰশীল হৈ থাকে। তেওঁ কয়, যে ইয়াৰ ফলত নিয়োগ সৃষ্টিৰ প্ৰক্ৰিয়াতো প্ৰভাৱ পৰিছিল। চৰকাৰৰ শাসনৰ দৃষ্টিভংগীৰ পৰিৱৰ্তনৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে পি এল আই আঁচনিৰ বিষয়ে প্ৰকাশ কৰে। এই আঁচনিৰ সফলতাৰ বিষয়ে উল্লেখ কৰি তেওঁ কয়, যে ইয়াৰ জৰিয়তে ২ লাখ ৫০ হাজাৰ কোটি টকাৰ বিনিয়োগ সম্ভৱ হৈছে। ২২ লাখ কোটি টকাৰ উৎপাদন আৰু বিক্ৰী হোৱাৰ লগতে ১৫ লাখ কোটি টকাৰ ৰপ্তানী আৰু ১৪ লাখতকৈও অধিক নিয়োগ সৃষ্টি হৈছে বুলিও শ্ৰীমোদীয়ে উল্লেখ কৰে।

**বাইট (পি এম)**

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি চিকেনছ নেক খ্যাত শিলিগুড়ি কৰিডৰৰ সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰাত গুৰুত্ব আৰোপ কৰি দেশৰ পূৰ্বাঞ্চলৰ সীমান্তৰ নিৰাপত্তা ব্যৱস্থা পৰ্যালোচনা কৰাৰ উদ্দেশ্যে এখন বৈঠকত মিলিত হয়। শ্ৰীশ্বাহে দাৰ্জিলিঙৰ চুকনাত পশ্চিমবংগ প্ৰশাসন আৰু কেন্দ্ৰীয় সুৰক্ষা বাহিনীৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হয়। সীমান্তত নিয়োগ কৰা সশস্ত্ৰ সীমাবল আৰু সীমা সুৰক্ষা বাহিনীৰ জ্যেষ্ঠ বিষয়াসকলেও এই বৈঠকত অংশগ্ৰহণ কৰে। সীমান্তৰ নিৰীক্ষণ শক্তিশালীকৰণৰ লগতে কেন্দ্ৰীয় সুৰক্ষা বাহিনী, চোৰাংচোৱা সংস্থা, ৰাজ্যিক আৰক্ষী আৰু প্ৰশাসনৰ সমন্বয় বৃদ্ধি আৰু প্ৰস্তাৱিত ট্ৰায়েংগুলাৰ ছিকিউৰিটী গ্ৰীডৰ গাঁথনিৰ বিষয়েও বৈঠকত আলোচনা কৰা হয়। শিলিগুড়ি নেপাল-ভূটান আৰু

বাংলাদেশৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ নিকটৱৰ্তী হোৱাৰ হেতু এই বৈঠকে বিশেষ গুৰুত্ব বহন কৰিছে। উল্লেখযোগ্য যে এই ঠেক শিলিগুড়ি কৰিডৰেই হৈছে দেশৰ বাকী অংশৰ সৈতে উত্তৰ-পূৰ্বাঞ্চলৰ স্থলভাগেৰে সংযোগ সাধনৰ একমাত্ৰ পথ।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি দাৰ্জিলিঙৰ চুকনাত গোৰ্খা নেতাসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত পশ্চিমবংগৰ মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰী, মুখ্য সচিব মনোজ আগৰৱাল, পাৰ্বত্য পৰিক্ৰমা ৰাজ্য মন্ত্ৰী বিশাল লামা, লোকসভাৰ সাংসদ ৰাজু বিষ্ট, ৰাজ্যসভাৰ সাংসদ হৰ্ষবৰ্ধন শৃংলা, ৫ গৰাকী গোৰ্খা বিধায়ক, মধ্যস্থতাকাৰী পংকজ সিং, চোৰাংচোৰা সংস্থাৰ সঞ্চালক মহেশ দীক্ষিত, গোৰ্খা জনমুক্তি মৰ্চাৰ সভাপতি বিমল গুৰুং, গোৰ্খা নেতা মান ঘিচিং আৰু কেইবাগৰাকীও গোৰ্খা নেতাই অংশগ্ৰহণ কৰে। এই বৈঠকৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত দাৰ্জিলিঙৰ লোকসভাৰ সাংসদ ৰাজু বিষ্টে বৈঠকখন ফলপ্ৰসূ আছিল বুলি মন্তব্য কৰি গোৰ্খা নেতাসকলে এই বৈঠকত নিজৰ সমস্যাসমূহ উত্থাপন কৰে বুলি উল্লেখ কৰে। নেতাসকলৰ মতামত শুনাৰ পাছত মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীয়ে বৈঠকত আলোচনা হোৱা বিষয়সমূহত নিজৰ মন্তব্য আগবঢ়োৱাৰ লগতে সমস্যাসমূহ সমাধান কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। বৈঠকৰ পাছত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে দাবীসমূহ সমাধানৰ বাবে মধ্যস্থতাকাৰী হিচাপে থকা বি এছ এফৰ প্ৰাক্তন সঞ্চালক পংকজ সিঙৰ অধ্যক্ষতাত এখন উচ্চ পৰ্যায়ৰ সমিতি গঠন কৰা হ'ব বুলি ঘোষণা কৰে। গোৰ্খা জনমুক্তি মৰ্চাৰ সম্পাদক ৰ'চন গিৰিয়ে এই বৈঠকখন সন্তোষজনক আছিল বুলি সাংবাদিকৰ আগত মন্তব্য কৰে। হৰ্ষবৰ্ধন শৃংলাই দাৰ্জিলিং টেৰাই আৰু দুৱাৰছ অঞ্চলৰ সমস্যা সাংবিধানিক গাঁথনিৰ ভিতৰত সমাধান কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰ দুদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে কাইলৈ ৰাছিয়ালৈ যাব। মন্ত্ৰীগৰাকীয়ে ভাৰত-ৰাছিয়া বাণিজ্য, অৰ্থনীতি, বৈজ্ঞানিক, প্ৰযুক্তিগত আৰু সাংস্কৃতিক সহযোগিতাৰ আন্তঃচৰকাৰী আয়োগৰ ২৭ সংখ্যক অধিৱেশনত সহ-অধ্যক্ষতা কৰিব। এই ভ্ৰমণকালত ড০ জয়শংকৰে ৰাছিয়াৰ বিদেশমন্ত্ৰী ছাৰ্গেই লেভৰ'ভক সাক্ষাৎ কৰি আঞ্চলিক আৰু গোলকীয় সমস্যা সম্পৰ্কে মত বিনিময় কৰিব।

ooooo

উচ্চতম ন্যায়ালয়ে **সমাধান সমাৰোহ** পদক্ষেপৰ অংশৰূপে আয়োজন কৰা তিনিদিনীয়া বিশেষ লোক আদালতৰ প্ৰথম দিনটোত ৪০০ৰো অধিক গোচৰ নিষ্পত্তি কৰিছে। বিবাহ আৰু সম্পত্তিৰ বিবাদ, মটৰ দুৰ্ঘটনা, ভূমি অধিগ্ৰহণ আৰু ক্ষতিপূৰণ, কৰ সংক্ৰান্তিয় বিবাদকে ধৰি বিভিন্ন বিবাদ নিষ্পত্তি কৰে। ১৬ খন বিশেষ লোক আদালতৰ বিচাৰপীঠত ৬০০ৰো অধিক গোচৰ তালিকাভুক্ত কৰা হৈছিল আৰু প্ৰতিখন বিচাৰপীঠত দুগৰাকীকৈ উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ আছিল। জ্যেষ্ঠ অধিবক্তা, অভিলেখ অধিবক্তা আৰু অন্যান্য অধিবক্তাই তেওঁলোকক সহায় কৰিছিল। কালি আৰম্ভ হোৱা এই বিশেষ লোক আদালত কাইলৈ পৰ্যন্ত চলিব।

ooooo

বন্দে মাতৰমৰ ব্যৱহাৰক উৎসাহিত কৰাৰ লগতে এই বিষয়ত সজাগতা সৃষ্টিৰ উদ্দেশ্যে বিজেপিয়ে ৰাষ্ট্ৰজুৰি প্ৰচাৰ অভিযান চলাব। আজি নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত বিজেপিৰ

মুখপাত্ৰ সম্বিত পাত্ৰই কয়, যে দলটোৰ নৱনিযুক্তিপ্ৰাপ্ত ৰাষ্ট্ৰীয় কাৰ্যকৰ্তাসকলৰ নতুন দিল্লীত বহা প্ৰথমখন বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। নতুন দিল্লীত থকা কংগ্ৰেছ দলৰ মুখ্য কাৰ্যালয়ত আয়োজিত এটা অনুষ্ঠানত ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ প্ৰথম দুটা স্তৱক পৰিৱেশনৰ পাছত ৰখাই দিয়া কাৰ্যক মুখপাত্ৰগৰাকীয়ে সমালোচনা কৰে। তেওঁ কয়, যে কংগ্ৰেছ দলে অলপতে ১৯৩৭ চনৰ অক্টোবৰত বন্দে মাতৰমৰ প্ৰথম দুটা স্তৱক গোৱাৰ বাবে গ্ৰহণ কৰা প্ৰস্তাৱক পুনৰ গৃহীত কৰিছিল। তেওঁ কয়, যে ৰাষ্ট্ৰীয় গীতটোৰ প্ৰতি অসন্মান প্ৰদৰ্শনৰ বাবে কংগ্ৰেছৰ প্ৰচেষ্টা সফল নহ'ব। তেওঁ কয়, যে মহাত্মা গান্ধীয়েও আনকি বন্দে মাতৰম পৰিৱেশন কৰাৰ সপক্ষে মত পোষণ কৰিছিল। বন্দে মাতৰমক দেশৰ মন্ত্ৰ বুলি উল্লেখ কৰি শ্ৰীপাত্ৰই কয়, যে ইয়াৰ অৰ্থ হিন্দু আৰু মুছলমানৰ বিভাজন কৰা নহয়। ...... **বাইট (সম্বিত)**........

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে বিজেপিয়ে ৰাষ্ট্ৰজুৰি মাহজোৰা কাৰ্যসূচীৰে সেৱা সংকল্প অভিযান চলাব। এই অভিযানত প্ৰধানমন্ত্ৰীৰ ৰাজহুৱা সেৱাৰ প্ৰতি থকা প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়ে প্ৰচাৰ কৰি জনসাধাৰণক বিশেষকৈ যুৱক-যুৱতীসকলক সেৱাৰ মনোভাৱেৰে কাম কৰি যাবলৈ উৎসাহিত কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হ'ব। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক বিনোদ তাৱ'ড়েই কয়, যে এই অভিযান ২০০১ চনৰ ৭ অক্টোবৰত গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে শ্ৰীমোদীৰ শপতগ্ৰহণৰ ২৫ বছৰ পূৰ্ণ হোৱাৰ প্ৰতীক হ'ব। এই অভিযানকালত দলটোৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ব্যক্তিত্বৰ সেৱাৰ স্পৃহাক প্ৰতিফলিত কৰিব পৰাকৈ বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰিব। তেওঁ কয়, যে এই অভিযানৰ অংশৰূপে বিজেপিৰ কৰ্মীসকলে সমগ্ৰ দেশৰ ১৪ লাখৰো অধিক অংগনৱাড়ী কেন্দ্ৰলৈ গৈ শিশুৰ সঠিক পৰিপুষ্টি আৰু প্ৰতিপালনৰ ক্ষেত্ৰত অৱদান আগবঢ়োৱা অংগনৱাড়ী কৰ্মীসকলক সন্মান প্ৰদৰ্শনৰ বাবেও কাৰ্যসূচীৰ আয়োজন কৰিব। শ্ৰীতাৱ'ড়েই কয়, যে দলটোৱে জনসাধাৰণক সেৱাৰ কাৰ্যসূচী গ্ৰহণ কৰি তেনেধৰণৰ ভিডিঅ' শ্বেয়াৰ কৰিবৰ বাবেও আহ্বান জনাব। স্বচ্ছতা আৰু গছপুলি ৰোপণৰ দৰে কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। তেওঁ লগতে উন্নয়ন খণ্ডৰ পৰ্যায়ত ১৫ দিনীয়া সেৱা সেতু অভিযানৰ কথাও ঘোষণা কৰে। এই অভিযানৰ অধীনত বিভিন্ন চৰকাৰী আঁচনিৰ সৈতে জড়িত বিভাগসমূহৰ বিষয়াসকলে আঁচনি লাভ নকৰা লোকসকলক সহায় কৰাৰ বাবে প্ৰয়োজনীয় নথি-পত্ৰৰ সৈতে সাজু হৈ থাকিব। এই কাৰ্যসূচীয়ে বিভিন্ন আঁচনিৰ সুফল লাভ নকৰা ব্যক্তিসকলক তেনে আঁচনিৰ সুযোগ লাভ কৰাৰ সুবিধা প্ৰদান কৰিব।

00000

১৩৫ সংখ্যক ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত কাইলৈ কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগণত মোহন বাগান ছুপাৰ জায়েণ্ট, ইষ্ট বেংগল এফ চিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। মোহন বাগানে বৃহস্পতিবাৰে শ্বিলঙত হোৱা প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত বিগত দুটা বৰ্ষৰ চেম্পিয়ন নৰ্থ-ইষ্ট ইউনাইটেডক টাই ব্ৰেকাৰৰ সহায়ত ৪-৩ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। আনহাতে ইষ্ট বেংগলে প্ৰথম ছেমি ফাইনেলত এফ চি দিল্লীক পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে।  উল্লেখযোগ্য যে মোহন বাগানে অভিলেখ সংখ্যক ১৭ বাৰ ডুৰাণ্ড কাপৰ খিতাপ দখল কৰাৰ বিপৰীতে ইষ্ট বেংগলে ১৬ বাৰ ডুৰাণ্ড কাপ জয় কৰিছে।

00000

রাষ্ট্রপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীৰ বিজ্ঞান ভৱনত অহা মাহৰ ৫ তাৰিখে ৪৮ গৰাকী বিদ্যালয়ৰ শিক্ষকক ৰাষ্ট্ৰীয় শিক্ষক বঁটা প্ৰদান কৰিব। শিক্ষা মন্ত্ৰালয়ে জনোৱা অনুসৰি বিদ্যালয় শিক্ষা আৰু সাক্ষৰতা বিভাগে জিলা, ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত তিনিটা পৰ্যায়ৰ বাচনি প্ৰক্ৰিয়াৰ জৰিয়তে এই শিক্ষকসকলক নিৰ্বাচিত কৰিছে। নিৰ্বাচিত ৪৮ গৰাকী বিদ্যালয় শিক্ষক দেশৰ ২৭ খন ৰাজ্য, ৭ খন কেন্দ্ৰীয় শাসিত অঞ্চল আৰু ছটা সংগঠনৰ। এই শিক্ষকসকলৰ ভিতৰত ২৬ গৰাকী পুৰুষ শিক্ষক আৰু ২২ গৰাকী মহিলা শিক্ষয়িত্ৰী আছে। মন্ত্ৰালয়ে জনোৱা অনুসৰি ২০২৬ বৰ্ষৰ ৰাষ্ট্ৰীয় শিক্ষক বঁটাৰ বাবে যোগ্য শিক্ষকৰ পৰা অনলাইন স্ব-মনোনয়ন দাখিলৰ বাবে চলিত বৰ্ষৰ ১৫ জুনৰ পৰা ২০ জুলাইলৈ শিক্ষা মন্ত্ৰালয়ৰ পোৰ্টেল nationalawardstoteachers.education.gov.in খুলি দিয়া হৈছিল। দূৰদৰ্শন আৰু স্বয়মপ্ৰভা চেনেলযোগে এই বঁটা প্ৰদান অনুষ্ঠান পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব।

ooooo

সমাপ্ত